**দিনটোৰ উক্তি**

অখিল গগৈ আৰু ভিক্টৰ দাসৰ সামাজিক মাধ্যমত আচৰণ স্বাভাৱিক নহয়, এয়া অস্বাভাৱিক ব্যৱহাৰ। নিঃসন্দেহে অখিল-ভিক্টৰৰ বডী লেংগুৱেজ যুৱ শক্তিৰ কাৰণে মুঠেও ইতিবাচক নহয়।

—বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়া

নিৰ্ভীক, নিৰপেক্ষ

# অসমীয়া খবৰ

গুৱাহাটী আৰু যোৰহাটৰ পৰা একে সময়তে প্ৰকাশিত

☐ যোৰহাট সংস্কৰণ ☐ মুঠ পৃষ্ঠা ১২

ফোন নং ঃ ০৩৭৬ —২৩৭১৯৩৪, ০৩৬১-২৪৭৭২৯১/২ পঞ্চদশ বছৰ সংখ্যা ১০৩ বুধবাৰ ১২ ফাগুন ১৯৪৭ শক ২৫ ফেব্ৰুৱাৰী ২০২৬ চন ASOMIYA KHABAR JORHAT WEDNESDAY 25 FEBRUARY 2026



## ডিব্ৰুগড় কানৈ মহাবিদ্যালয়ত প্ৰধানমন্ত্ৰীৰ মন কী বাত অনুষ্ঠান

ষ্টাফ্ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ২৪ ফেব্ৰুৱাৰী ঃ আকাশবাণীয়ে শ্ৰোতাক কেতিয়াও বাচি লবলগীয়া বস্তু নিদিয়ে, যি প্ৰয়োজন সেইটোহে দিয়ে। এটা বস্তু বিচাৰি দহটা বস্তুৰ মাজত হেৰাই যাবলগীয়া মাধ্যম আকাশবাণী নহয়। ডিব্ৰুগড় অনাতাঁৰ কেন্দ্ৰৰ অনুষ্ঠান কাৰ্যবাহী পৰাশা কোঁৱৰে ২২ ফেব্ৰুৱাৰীত ডি এইচ এছ কানৈ মহাবিদ্যালয় স্বায়ত্তশাসিতত প্ৰধানমন্ত্ৰীৰ মন কি বাত কাৰ্যসূচী মুকলি কৰি এইদৰে কয়। কোঁৱৰে কয়— পৃথিৱীৰ ভিতৰত মাত্ৰ এটাই প্ৰচাৰ মাধ্যম আছে যি ইতিমধ্যে এশ বছৰ অতিক্ৰম কৰিছে। এনে শক্তিশালী মাধ্যম আকাশবাণীৰ বাহিৰে দ্বিতীয় এটা নাই। তেওঁ কয়— আকাশবাণীৰ কাৰ্যসূচীয়ে মানুহৰ কল্পনা শক্তি বৃদ্ধি কৰে আৰু ভাষাৰ শুদ্ধতা ৰক্ষা কৰে। ভাষাৰ উত্তৰণৰ যোগেদিহে জাতিৰ উত্তৰণ হয় বুলি উল্লেখ কৰি তেওঁ কয়— আকাশবাণী কেন্দ্ৰসমূহে ভাষাৰ শুদ্ধতাৰ ওপৰত গুৰুত্ব দি আহিছে। লগতে কল্পনা প্ৰৱন মন এটাও সকলোকে সৃষ্টি কৰি আহিছে। অনুষ্ঠানত মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই কয়— আকাশবাণী কেন্দ্ৰসমূহে সদায় মানুহক জীৱন দৰ্শনৰ সোৱাদ দি আহিছে। ই আধুনিক ভাৰতৰ একমাত্ৰ জনপ্ৰিয় সামাজিক, সাংস্কৃতিক মাধ্যম বুলি উল্লেখ কৰি তেওঁ কয়— প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০১৪ চনৰ ৩ অক্টোবৰত মন কি বাত কাৰ্যসূচী আৰম্ভ কৰিছিল আৰু এতিয়া এই কাৰ্যসূচীটিয়ে ১০০ সংখ্যক খণ্ড অতিক্ৰম কৰিছে। ই এক জনপ্ৰিয় কাৰ্যসূচী বুলি উল্লেখ কৰি তেওঁ কয়— দেশৰ সকলো মানুহক সামৰি আনকি দূৰ্গম অঞ্চললৈকে তেওঁৰ মনৰ অনুভৱ লৈ যাবলৈ কৰা প্ৰয়াসৰ বাবে এনে এক কাৰ্যসূচী শুভাৰম্ভ কৰা হৈছিল। ইতিমধ্যে আমেৰিকাৰ প্ৰাক্তন ৰাষ্ট্ৰপতি বাৰাক ওবামাই ২০১৫ চনৰ জানুৱাৰী মাহত প্ৰধানমন্ত্ৰী মোদীৰ স'তে একেলগে মন কি বাত কাৰ্যসূচীত অংশগ্ৰহণ কৰিছিল। ২২ টাতকৈও অধিক ভাৰতীয় ভাষা আৰু ১১ টা বিদেশী ভাষাত অনুবাদ কৰি এই কাৰ্যসূচী সম্প্ৰচাৰ কৰা হৈছে বুলিও তেওঁ কয়। বিশ্বৰ ভিতৰত আটাইতকৈ বেছি লোকে শুনা অনাতাঁৰ অনুষ্ঠানত মন কি বাত পৰিণত হৈছে বুলি তেওঁ কয়। এই কাৰ্যসূচী ৰাষ্ট্ৰসংঘৰ মুখ্য কাৰ্যালয়তো পোনপতীয়াকৈ সম্প্ৰচাৰ কৰা হৈছিল বুলি তেওঁ উল্লেখ কৰে। অধ্যাপক ড° বিৰাজ দত্তই আঁত ধৰা অনুষ্ঠানটিত তেওঁ কয়— প্ৰধানমন্ত্ৰীৰ আকাশবাণীৰ যোগেদি প্ৰচাৰিত মন কি বাত কাৰ্যসসূচী সকলো যুৱ প্ৰজন্মই শুনাতো জৰুৰী। তেওঁ কয়— যুৱ প্ৰজন্মক প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সপোনৰ স'তে সংযোগ কৰিবলৈ কানৈ মহাবিদ্যালয়ত মন কি বাত কাৰ্যসূচী সকলোৱে উপভোগ কৰিব পৰাকৈ আয়োজন কৰা হয় বুলি উল্লেখ কৰে। অনুষ্ঠানত ছাত্ৰীনিৱাসৰ মনিট্ৰেছ ভাৰ্চী গগৈয়ে উপস্থিত সকলোকে একোখনকৈ ফুলাম গামোছাৰে আদৰণি জনায়। অনুষ্ঠানত ভাৰতীয় জনতা পাৰ্টিৰ যুৱ মৰ্চাৰ ডিব্ৰুগড় জিলাৰ সাধাৰণ সম্পাদক ধ্ৰুৱজ্যোতি গগৈ, ছাত্ৰীনিৱাসৰ অধীক্ষিকা উৰ্মিলা ৰামছিয়াৰীকে ধৰি ডেৰ শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে।